**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 11-03-2025 **Time :** 0755 Hrs.

# Assamese Morning Bulletin

অসম বিধানসভাত বিত্তমন্ত্ৰী অজন্তা নেওগে কালি ২০২৫-২৬ বিত্তীয় বৰ্ষৰ সাধাৰণ বাজেট উত্থাপন কৰে। ২০২৪-২৫ বৰ্ষৰ ৬ মাৰ্চ পৰ্যন্ত প্ৰকৃত ব্যয়ৰ ওপৰত কৰা পূৰ্বানুমান অনুসৰি বাজেটৰ মুঠ ব্যয় ১ লাখ ৪১ হাজাৰ ৫২৯ কোটি টকা ধাৰ্য কৰা হৈছে।

এইবাৰৰ বাজেটত ৰাজ্য চৰকাৰৰ ধবজাবাহী আঁচনি অৰুণোদয়ৰ তৃতীয় পৰ্যায়ৰ বাবে প্ৰায় ৫ হাজাৰ কোটি টকা ধাৰ্য কৰা হৈছে। অৰুণোদয় আঁচনিৰ হিতাধিকাৰীৰ সংখ্যা ১৮ লাখৰ পৰা পৰৱৰ্তী বিত্তীয় বছৰৰ শেষলৈ ৩৭ দশমিক ২ লাখলৈ বৃদ্ধি কৰা হ'ব বুলি বিত্তমন্ত্ৰীগৰাকীয়ে ঘোষণা কৰে। বিধৱা পেঞ্চনৰ হিতাধিকাৰীৰ সংখ্যাও পূৰ্বৰ ২৮ লাখৰ পৰা ৩৭ লাখ ২০ হাজাৰলৈ বৃদ্ধি কৰা হ'ব। এই আঁচনিৰ অধীনত প্ৰদান কৰি অহা ধন মাহে এহেজাৰ ২৫০ টকালৈ বৃদ্ধি কৰা হ'ব বুলিও বিত্তমন্ত্ৰীগৰাকীয়ে ঘোষণা কৰে।

এইবাৰৰ বাজেটত ৰেচন কাৰ্ডৰ জৰিয়তে ৰাজ্যখনৰ প্ৰতিটো পৰিয়াললৈ মাহে ১ কিলোগ্ৰামকৈ ৰাজসাহায্যযুক্ত মচুৰ দাইল, চেনি আৰু নিমখ যোগান ধৰাৰ বাবে প্ৰস্তাৱ গ্ৰহণ কৰা হৈছে। মহিলা উদ্যমিতা অভিযানৰ জৰিয়তে প্ৰতিগৰাকী হিতাধিকাৰীলৈ ঋণৰ ব্যৱস্থা কৰা হৈছে বুলি উল্লেখ কৰি বিত্তমন্ত্ৰীগৰাকীয়ে কয়, যে এই আঁচনিখন অহা ১ এপ্ৰিলত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই বিহালী বিধানসভা সমষ্টিত আনুষ্ঠানিকভাৱে মুকলি কৰিব। নিযুত মইনা আঁচনিৰ জৰিয়তে উপকৃত হ'বলগীয়া ছাত্ৰীৰ সংখ্যা ৪ লাখ ২০ হাজাৰলৈ বৃদ্ধি হ'ব বুলিও বিত্তমন্ত্ৰীগৰাকীয়ে বাজেট ভাষণত উল্লেখ কৰে। তদুপৰি মহাকাশত অসমে নিজাকৈ কৃত্ৰিম উপগ্ৰহ স্থাপনৰ বাবে বাজেটত লোৱা প্ৰস্তাৱ সন্দৰ্ভত কালি বিত্ত মন্ত্ৰীয়ে সদৰি কৰে। ভাৰতীয় ৰাষ্ট্ৰীয় মহাকাশ উদগনি আৰু কৰ্তৃত্ব প্ৰদান কেন্দ্ৰৰ সহযোগত আৰ্থ-সামাজিক প্ৰকল্পসমূহৰ ৰূপায়ণৰ ক্ষেত্ৰত নিৰ্ভৰযোগ্য আৰু অবিৰত তথ্যৰ সৰবৰাহ নিশ্চিত কৰাৰ বাবে অসমে আছাম ছেট নামত এই কৃত্ৰিম উপগ্ৰহ সংস্থাপন কৰিবলৈ বিচাৰিছে। একেদৰে অসমীয়া চলচ্চিত্ৰ, সাহিত্য, লোকসংগীত আৰু তথ্যচিত্ৰকে ধৰি বিভিন্ন সমল সংৰক্ষণ কৰিবলৈ ৰাজ্য চৰকাৰে নিজাকৈ ও টি টি প্লেটফৰ্ম মুকলি কৰিব বুলি বিত্ত মন্ত্ৰীয়ে বাজেট ভাষণত প্ৰকাশ কৰে।

কোনোধৰণৰ অতিৰিক্ত কৰ আৰোপ নকৰাকৈ ৬২০ কোটি ২৭ লাখ টকাৰ ঘাটি বাজেটখন বিধানসভাত দাখিল কৰি শ্ৰীমতী নেওগে কয়, যে ২০২৩-২৪ বিত্তীয় বৰ্ষত মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদন ১৯ শতাংশ আৰু জনমুৰি আয় ১৮ শতাংশলৈ বৃদ্ধি পাইছে।

১০৯ পৃষ্ঠাৰ এই বাজেটখনেই হৈছে ডঃ হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন বিজেপি চৰকাৰৰ ৫ বছৰীয়া কাৰ্যকালৰ অন্তিমখন পূৰ্ণাংগ বাজেট। বিকশিত অসমৰ লক্ষ্য পূৰণৰ উদ্দেশ্যে কৃষক, দৰিদ্ৰ শ্ৰেণী, যুৱ প্ৰজন্ম আৰু মহিলা সৱলীকৰণৰ দৰে বিষয়সমূহত এই বাজেটত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে।

ooooo

অসমৰ অন্যতম জনগোষ্ঠী সোণোৱাল কছাৰীসকলে আজি খ্ৰীং খ্ৰীং বাইথ' পূজা পালন কৰিছে। ধৰ্মীয় পৰম্পৰা, লোক বিশ্বাস আৰু ৰীতি-নীতিৰে জনগোষ্ঠীটোৰ লোকসকলে ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি এই পূজা পালন কৰিছে। ৰাজ্য চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আৰু ডিব্ৰুগড় জিলা প্ৰশাসন, সোণোৱাল-কছাৰী স্বায়ত্ত শাসিত পৰিষদ আৰু বৃহত্তৰ খোৱাং আঞ্চলিক আঠাবাৰী গাঁও খ্ৰীং খ্ৰীং বাইথ' পূজা উদযাপন সমিতিৰ সহযোগত তিনিদিনীয়া কাৰ্যসূচীৰে খ্ৰীং খ্ৰীং বাইথ' পূজা পালন কৰা হৈছে। মন্ত্ৰী বিমল বৰাই দিনৰ ভাগত এই পূজাত অংশগ্ৰহণ কৰিব।

ধেমাজি জিলাৰ বিভিন্ন স্থানত জনগোষ্ঠীটোৰ ৰাইজে কালি এই পূজাৰ জৰিয়তে আৰাধ্য দেৱতাৰ উপাসনা কৰে। জিলাখনৰ ডেকাপাম, উদয়পুৰ, চেৰেণ সোণোৱাল আৰু নাহৰণি গাঁৱৰ ৰাইজে কালি পুৱাৰ ভাগত পূজা-অৰ্চনা কৰাৰ লগতে সোণোৱালসকলৰ বাইথ' সংস্কৃতি সম্পৰ্কত এখন আলোচনাচক্ৰও অনুষ্ঠিত কৰে। আজি পুৱাৰ ভাগত সোণোৱাল কছাৰীসকলৰ নৱবৰ্ষৰ প্ৰথম দিন উপলক্ষে বিহু নমোৱা অনুষ্ঠান, সাংস্কৃতিক অনুষ্ঠান আৰু প্ৰীতিভোজৰ আয়োজন কৰা হৈছে।

০০০০০০০

সমাগত হোলী আৰু ৰঙৰ উৎসৱ ফাকুৱাৰ সময়ত যাত্ৰীৰ বৰ্ধিত চাহিদা পূৰণ কৰিবলৈ উত্তৰ-পূব সীমান্ত ৰে'লৱে মুঠ ৩০টা যাত্ৰাৰ বাবে বিশেষ ৰে'ল চলাচল কৰোৱাব। ইতিমধ্যে নাৰেংগী-গোৰখপুৰ জংছন-নাৰেংগী, কাটিহাৰ-অমৃতসৰ-কাটিহাৰ, কামাখ্যা-আনন্দ বিহাৰ টাৰ্মিনেল হৈ কামাখ্যা অভিমুখী ৰে'লৰ লগতে মুঠ ২৬ টা যাত্ৰাৰ বাবে বিশেষ ৰে'লৰ চলাচলৰ বিষয়ে ৰে'লৱে সূত্ৰই প্ৰকাশ কৰিছে। ইয়াৰ উপৰি ডিব্ৰুগড়ৰ পৰা জয়নগৰ হৈ পুনৰ ডিব্ৰুগড়ত উপস্থিত হ'বলগীয়া আৰু ডিব্ৰুগড়ৰ পৰা গোৰখপুৰলৈ যাত্ৰা কৰি পুনৰ ডিব্ৰুগড়লৈ চাৰিটা যাত্ৰাৰ বাবে ৰে'ল চলাচল কৰোৱা হ'ব বুলি উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ সূত্ৰই প্ৰকাশ কৰিছে।

০০০০০০০

ধুবুৰীৰ সাংসদ ৰকিবুল হুছেইনক যোৱা ২০ ফেব্ৰুৱাৰীত চামগুৰিত আক্ৰমণ কৰা ঘটনা সন্দৰ্ভত দুজন লোকক গ্ৰেপ্তাৰ কৰা হৈছে। কালি অসম বিধানসভাত ৰাজ্যৰ গৃহ বিভাগে এই তথ্য প্ৰকাশ কৰে। এই ঘটনাত ২২ জন অভিযুক্তৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰা হৈছে। সাংসদগৰাকীক আক্ৰমণৰ ঘটনা সন্দৰ্ভত ৰূপহীহাট থানাত তিনিটা গোচৰ ৰুজু কৰা হৈছিল।

০০০০০০০

শ্ৰীভূমি জিলাৰ ভাৰত-বাংলাদেশ সীমান্তত যোৱানিশা আৰক্ষীয়ে অভিযান চলাই চাৰিজন বাংলাদেশী নাগৰিকক আটক কৰি পুনৰ বাংলাদেশলৈ ওভোটাই পঠায়। আটক কৰা বাংলাদেশী কেইজন - আব্দুল কবিৰ, বধিউৰ ৰহমান, মহম্মদ তয়ুব আৰু আব্দুল কালাম বুলি জানিব পৰা গৈছে।

০০০০০০০

**সমাপ্ত**